# Prime Minister's Telephone Conversation with Crown Prince Mohd. Bin Salman of Saudi Arabia

March 17, 2020

---

# ছৌদি আৰবৰ যুৱৰাজ মহম্মদ বিন ছলমানৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

মাৰ্চ 17, 2020

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছৌদি আৰবৰ যুৱৰাজ মহম্মদ বিন ছলমানৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে। দুয়োগৰাকী নেতাই কোভিড-১৯ মহামাৰীক লৈ বিশ্বজুৰি সৃষ্টি হোৱা পৰিস্থিৰ সন্দৰ্ভত আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে বিশ্বজুৰি দেখা দিয়া এই প্ৰত্যাহ্বানৰ উপযুক্তভাৱে মোকাবিলা কৰিবলৈ সহযোগিতামূলক প্ৰচেষ্টা হাতত লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে, যিটোৱে হাজাৰ হাজাৰ লোকৰ স্বাস্থ্যত প্ৰভাৱ পেলোৱাই নহয়, বিশ্বৰ বিভিন্ন প্ৰান্তৰ অৰ্থনীতিতো কু-প্ৰভাৱ পেলোৱাৰ ভাবুকি কঢ়িয়াই আনিছে।

প্ৰধানমন্ত্ৰীয়ে প্ৰসংগক্ৰমে ভাৰতৰ প্ৰচেষ্টাত শেহতীয়াভাৱে ছাৰ্ক ৰাষ্ট্ৰসমূহক লৈ অনুষ্ঠিত হোৱা ভিডিঅ কনফাৰেন্সৰ বিষয়েও উল্লেখ কৰে।

দুয়োগৰাকী নেতাই ছৌদি আৰবৰ সহযোগিতাত জি-২০ নেতৃবৃন্দৰ পৰ্যায়ত এক পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে, যিটোৱে বিশ্ব পৰ্যায়ত উপকৃত কৰিব। ইয়াৰ জৰিয়তে বিশ্বজুৰি কভিড-১৯ৰ প্ৰাদুৰ্ভাৱ ৰোধত দেখা দিয়া প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বিশেষ ব্যৱস্থাৰ বিশেষ উপায়ৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে বিশ্ববাসীৰ বিশ্বাস অটুত থাকিব।

প্ৰধানমন্ত্ৰী আৰু যুৱৰাজে এই ক্ষেত্ৰত দুয়োখন দেশৰ বিষয়াবৰ্গই সঘনাই সংযোগ স্থাপন কৰি থাকিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

**নতুন দিল্লী**
**মাৰ্চ 17, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.